১ ছৌদি ৰিয়াল ১৯.০৪ ভাৰতীয় টকা

১ ছৌদি ৰিয়াল ০.২৯ যুক্তৰাষ্ট্ৰীয় ডলাৰ।

**ছৌদি আৰবৰ জোখ-মাপ (Measures and Weights of Saudi Arabia)ঃ**

জোখৰ ক্ষেত্ৰ ছৌদি আৰবত সাধাৰণতে মেট্ৰিক ছিষ্টেম (Matric System) ব্যৱহাৰ হয় আৰু মাপ বা তজৰ ক্ষেত্ৰত কিলোগ্ৰাম ব্যৱহাৰ হয়।

**পঞ্জিকা (Calendar)ঃ**

হিজৰী চনটো ছৌদি আৰবৰ চৰকাৰী পঞ্জিকা। যিদিনাখন হজৰত মোহাম্মদ (ছাঃ) এ মক্কাৰ পৰা মদিনালৈ প্ৰব্ৰজন কৰিছিল সেই দিনাখনৰ পৰা হিজৰী চনৰ গণনা আৰম্ভ হৈছে। ৩৫৪ দিনত এটা হিজৰী বছৰ হয় যাক ১২ টা চান্দ্ৰ মাহত বিভক্ত কৰা হৈছে। চৰকাৰী কাম-কাজ সমূহ দেওবাৰৰ পৰা বৃহস্পতিবাৰ লৈ ৰাতিপুৱা ৭ঃ৩০ পৰা আবেলি ২ঃ৩০ লৈ চলে।

**ছৌদি আৰবৰ চৰকাৰী বন্ধ (Official Holiday of Saudi Arabia)ঃ**

ছৌদি আৰবৰ চৰকাৰী বন্ধ সমূহ তলত দিয়া হ'ল–

১) সাপ্তাহিক বন্ধ (Weekend Holiday) শুক্ৰ আৰু শনিবাৰ।

২) ঈদুল ফিত্ৰ: আৰবী ৰমজান মাহৰ ২৫ তাৰিখৰ পৰা শতয়াল মাহৰ ৫ তাৰিখলৈকে মুঠ ১০ দিন। কিন্তু ই দুসপ্তাহ লৈকে বৃদ্ধি পাব পাৰে যদি ই সাপ্তাহিক বন্ধৰ আগত আৰম্ভ হয়।

৩) ঈদুল আজহা : জুল হজ্জ মাহৰ ৫ তাৰিখৰ পৰা ১৫ তাৰিখলৈ।

৪) জাতীয় দিৱস : প্ৰত্যেক বছৰৰ ২৩ ছেপ্তেম্বৰ তাৰিখ। চৰকাৰী বন্ধৰ দিন সমূহত ছৌদি আৰবৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠান বা চৰকাৰী কাৰ্য্যালয়সমূহ বন্ধ থাকে।

**বিশ্বত ছৌদি আৰবৰ স্থান (Rank of Saudi Arabia in the World)**

ছৌদি আৰব ভৌগলিক ভাৱে পশ্চিম এছিয়াৰ সৰ্ব্ববৃহৎ ৰাষ্ট্ৰ। আৰব বিশ্বত দ্বিতীয় বৃহত্তম দেশ। এই ক্ষেত্ৰত প্ৰথম স্থান দখল কৰি আছে আলজেৰিয়া। ই এছিয়া মহাদেশৰ পঞ্চম বৃহত্তম ৰাষ্ট্ৰ আৰু বিশ্বৰ দ্বাদশ স্থান দখল কৰা বৃহত ৰাষ্ট্ৰ।

ছৌদি আৰব পেট্ৰোল উৎপাদন আৰু সংৰক্ষণৰ ক্ষেত্ৰত বিশ্বৰ প্ৰথম স্থান দখল কৰি আছে। প্ৰাকৃতিক গেছ সংৰক্ষণত ই বিশ্বৰ পঞ্চম স্থান লাভ কৰি আছে আৰু প্ৰাকৃতিক গেছ উৎপাদনৰ ক্ষেত্ৰত ই বিশ্বৰ দশম স্থান অধিকাৰ কৰি আছে। ইছলাম ধৰ্মৰ পৱিত্ৰ স্থান যথা মক্কা আৰু মদিনা এই ৰাষ্ট্ৰত অৱস্থিত হোৱাৰ বাবে পৰ্যটন দিশত ই এটা সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। সমগ্ৰ বিশ্বৰ পৰাই মুছলমান সকলে হজ্জ আৰু উমৰা কৰাৰ উদ্দেশ্যে ছৌদি আৰব লৈ আহে। হজ্জৰ সময়ত ছৌদি চৰকাৰে হজ্জযাত্ৰী সকলক পৰ্যাপ্ত পৰিমাণৰ আৱাস আৰু খোৱা- লোৱাৰ ব্যৱস্থা কৰি দিয়ে।

২০১৮ চনৰ অক্টোবৰ মাহত ছৌদি আৰবৰ অৰ্থনীতি আছিল মধ্যপ্ৰাচ্যৰ দেশ সমূহৰ ভিতৰত প্ৰথম আৰু সমগ্ৰ বিশ্বৰ ভিতৰত আছিল ১৮তম। ছৌদি আৰব বিশ্বৰ ভিতৰত আটাইতকৈ যুৱ জনসংখ্যাৰ দেশ। ইয়াৰ মুঠ জনসংখ্যাৰ ৫০ শতাংশই হৈছে ২৫ বছৰৰ তলৰ বয়সৰ জনগণ। এই যুৱ জনসংখ্যাই ভৱিষ্যতত অৰ্থনীতিত আৰু অধিক অৰিহণা আগবঢ়াব।

## ছৌদি আৰবৰ ভাষা (Language of Saudi Arabia)ঃ

ছৌদি আৰবৰ চৰকাৰী ভাষা আৰবী। সচৰাচৰ মানুহে কথিতভাষা ব্যৱহাৰ কৰে। তিনি ধৰণৰ কথিত ভাষাৰ প্ৰচলন দেখিবলৈ পোৱা যায়। ১) হেজাজী আৰবী; ইয়াক প্ৰায় ৬ মিলিয়ন মানুহে ব্যৱহাৰ কৰে। ২) নাজদী আৰবী; ইয়াক প্ৰায় ৮ মিলিয়ন মানুহে ব্যৱহাৰ কৰে। ৩) উপকুলীয় আৰবী; প্ৰায় ০.২ মিলিয়ন মানুহে এই ভাষাত কথা পাতে। ইয়াৰ ওপৰিও প্ৰায় ৫০ হাজাৰ মানুহে কাইফী ভাষা ব্যৱহাৰ কৰে।

ছৌদি ছাইন ভাষাটো ডিফ জাতীৰ (Deaf Community) মানুহসকলে ব্যৱহাৰ কৰে। তাৰোপৰি ছৌদি আৰবত প্ৰায় ৭ লাখ লোকে টোগলোক, ৪ লাখ লোকে ৰোহিঙ্গীয়া, ৩ লাখ ৮০ হাজাৰ লোক উৰ্দ্দু, ৩ লাখ লোকে মিছৰীয় আৰবী আঢ়ৈ লাখ মানুহে ইন্দোনেছীয় ভাষা ব্যৱহাৰ কৰে।

## ছৌদি আৰবৰ ধৰ্ম (Religion of Saudi Arabia)ঃ

চৰকাৰীভাৱে ছৌদি আৰবৰ প্ৰত্যেকজন মানুহেই মুছলমান অৰ্থাৎ ইছলাম ধৰ্মৰ সমৰ্থক। তাৰে ভিতৰত শতকৰা ৭৫ ৰ পৰা ৯০ জন চুন্নী ইছলামৰ অনুসাৰী। আনহাতে শতকৰা ১০ ৰ পৰা ২৫ জন শ্বিয়া ইছলামৰ সমৰ্থক। ছৌদি আৰবৰ ছুন্নীসকল ওৱাহাবী চুন্নীৰ অনুগত যাক ১৮শ শতিকাত মুহাম্মদ বিন আব্দুল ওৱাহাবে জন্ম দিছিল। কিছুমানে আকৌ তেওঁলোকক ছালাফী বুলিও কয়। এইক্ষেত্ৰত চুন্নীসকলে সদায় শ্বিয়া সকলৰ ওপৰত অন্যায়-অত্যাচাৰ কৰা দেখা যায়।

## ছৌদি আৰবৰ ন্যায়িক ব্যৱস্থা (Judicial System of Saudi Arabia)ঃ

ছৌদি আৰবৰ ন্যায়িক ব্যৱস্থা প্ৰাথমিক ভাৱে পৱিত্ৰ কোৰাণ আৰু হাদীছৰ ওপৰত প্ৰতিষ্ঠিত। কোৰান বা হাদীছত ব্যৱস্থা নথকা আইনৰ উৎস হৈছে এজমা (Scholarly Consensus) আৰু কিয়াছ (Deductive Analogy)। ছৌদি আৰব বিশ্বৰ একমাত্ৰ দেশ য'ত কোৰাণ হাদিছৰ বাহিৰ কোনো সংবিধান প্ৰদত্ত আইন ব্যৱস্থা নাই। এই ৰাষ্ট্ৰত বিচাৰক সকলোক কোনো ধৰণৰ স্বাধীনতা দিয়া হোৱা নাই। অৰ্থাৎ ফিকাহ বা আকাইদক ছৌদি আৰবে নাকচ কৰিছে। বিশ্বৰ আন আন মুছলমান ৰাষ্ট্ৰসমূহ কিন্তু শ্বৰিয়া আইন বা ফিকাহ আৰু আকাইদক আইনৰ উৎস হিচাবে মানি লয়।

ন্যায়িক দিশ চোৱা-চিতাৰ কাৰণে ছৌদি আৰবত কোনো ধৰণৰ কাজী বা বিচাৰকক নিযুক্তি দিয়া নহয় কাৰণ ছৌদি আৰবৰ

উলামা সকলেই মূখ্যত ভাৱে কাজী বা বিচাৰকৰ ভূমিকা পালন কৰে। শ্বৰিয়া আদালত নথকাৰ বাবে কোৰাণ-হাদীছৰ ৰায়ক কোনেও প্ৰশ্ন তুলিব নোৱাৰে বা আপিল কৰিব নোৱাৰে। কিন্তু ৰজাই এই ক্ষেত্ৰত মাত মাতিব পাৰে আৰু যিকোনো ৰায় পুণৰ বিবেচনাৰ বাবে উলামা সকলৈ জাননী জাৰী কৰিব পাৰে।

ছৌদি আৰবৰ আইন ব্যৱস্থাৰ বিশ্বৰ প্ৰায় ভাগ ৰাষ্ট্ৰই সমালোচনা কৰি আহিছে। যাদু বিদ্যাৰ শাস্তী শিৰশ্চেদ কৰাটো কোনেও সমৰ্থন কৰা নাই। ধৰ্ষণ বা  পত্নীক প্ৰহাৰ কৰাৰ শাস্তী শিৰশ্ছেদ হোৱা হেতুকে মহিলাসকল পৰিত্যক্ত হৈ আহিছে আৰু বিবাহ বিচ্ছেদ হোৱাৰ ফলত মহিলাসকল অসুৰক্ষিত হোৱা বুলি বহুতে মন্তব্য আগবঢ়াইছে। আধনিক যুগত এই আইন ব্যৱস্থা বিশ্বৰ আন ৰাষ্ট্ৰসমূহৰ ন্যায়িক ব্যৱস্থাৰ লগত মোকাবিলা কৰাত অক্ষম বুলি মন্তব্য দি আহিছে।

সমগ্ৰ বিশ্বৰ পৰা সমালোচনাৰ সন্মুখীন হোৱা হেতুকে ৰজা আব্দুল্লাই ২০০৭ চনত বিচাৰ ব্যৱস্থাত কিছু নতুনত্ব আনিছিল আৰু ২০০৯ চনত যুৱ চামক আইন ব্যৱস্থাত আগ স্থান দি বৃদ্ধ বিচাৰক সকলোক সহায় কৰাৰ বাবে জাননী জাৰী কৰিছিল।

ছৌদি আইন ব্যৱস্থাক আকৌ কিছুমান সমালোচকে কিছু কিছু ক্ষেত্ৰত সমৰ্থন জনোৱা দেখা যায়। যেনে— বাৰে বাৰে চুৰি কাৰ্য্য সম্পাদন কৰা ব্যক্তিৰ সোহাঁত কাটি দিয়া। আনহাতে সমকামিতাক মৃত্যুদণ্ড দিয়া মুঠেই গ্ৰহণযোগ্য নহয়। এই আইন মতে মাদক দ্ৰব্য সেৱন কৰা, নামাজ নপঢ়া, ৰোজা নৰখাও আইন মতে দণ্ডনীয়। প্ৰতিশোধমূলক শাস্তি আজিও ছৌদি আৰবত বিদ্যমান। উদাহৰণ হিচাবে যদি কোনো এজন মানুহে কাৰোবাৰ চকুত ক্ষতিসাধন কৰে তেন্তে শৈল্য চিকিৎসাৰ দ্বাৰা তাৰ চকু আতোৰাই দিয়া হয়। অনৈতিকভাৱে কাৰোবাক হত্যা কৰিলে তেওঁক মৃত্যুদণ্ড দিব পাৰে বা তাৰ ঠাইত নিৰ্দিষ্ট হাৰত টকা প্ৰদান কৰিব পাৰে।

অৱশেষত কব পৰা যায় যে যদিও ছৌদি ন্যায় ব্যৱস্থা

সমালোচনাৰ সন্মুখীন হৈছে তথাপিও তেওঁলোক কোৰান আৰু হাদীছৰ ওপৰত আমল কৰি আছে। এই ন্যায় ব্যৱস্থা কঠোৰ হোৱা বাবে চৌদি আৰবত অপৰাধৰ সংখ্যাত অন্য অন্য ৰাষ্ট্ৰৰ তুলনাত যথেষ্টই কম।

**ছৌদি আৰবৰ সামৰিক ব্যৱস্থা (Military System of Saudi Arabia)ঃ**

সামৰিক ব্যৱস্থাৰ দিশত ছৌদি আৰব চৰকাৰে বিশ্বৰ ভিতৰত আটাইতকৈ বেছি টকা খৰচ কৰে। এই দেশে জনমুৰি আয়ৰ ১০ শতাংশ কেৱল সামৰিক বিভাগত খৰচ কৰে। ছৌদি আৰবৰ সামৰিক শক্তি কেবাটাও ভাগত বিভক্ত যেনে— Royal Saudi land Forces (RSLF), Royal Saudi Air Forces (RSAF), Royal Saudi Navy (RSN), Royal Saudi Air Defence (RSAD), Saudi Arabian National Guard (SANG) আৰু Paramilitary Forces. সকলো মিলি প্ৰায় ২ লাখ সৈন্যই সামৰিক সেৱা আগবঢ়ায়। ২০০৬ চনত ছৌদি আৰব চৰকাৰে নিয়োগ কৰা সামৰিক ক্ষেত্ৰখন এনেধৰণৰ–

১) Royal Saudi Land Forces ঃ ৭৫ হাজাৰ।
২) Royal Saudi Air Forces ঃ ১৮ হাজাৰ।
৩) Royal Saudi Navy ঃ ১৫ হাজাৰ ৫শ।
৪) Royal Saudi Air Defence ঃ ১৬ হাজাৰ।
৫) Saudi Arabian National Guard ঃ ৭৫ হাজাৰ।

ইয়াৰ ওপৰিও ছৌদি চৰকাৰে আৰু বিভিন্ন বিভাগত যথেষ্ট সংখ্যক সামৰিকক নিয়োগ কৰি ৰাখিছে।

পাকিস্থানৰ লগত ছৌদি আৰব সামৰিকৰ বহুত আগৰ পৰাই সুসম্পৰ্ক আছে। ছৌদি আৰবৰ পাৰমানৱিক বোমা নাই যদিও যিকোনো সময়ত পাকিস্থানে তেওঁলোকক এই বোমা যোগান ধৰাৰ সম্ভাৱনা আছে। হয়তো অতি কম দিনৰ ভিতৰত ছৌদি আৰবে পাৰমানৱিক বোমা ক্ৰয়